# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-11-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - -**

ৰাজ্যৰ বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ আজি বিয়লি ৫ বজাত সামৰণি পৰে। অৱশ্যে কেতবোৰ ভোটগ্ৰহণ কেন্দ্ৰৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰা ভোটদাতা ৰাইজৰ সুবিধাৰ বাবে কিছু দেৰিলৈকে ভোটগ্ৰহণ চলি আছে। চামগুৰি আৰু বিহালী সমষ্টিৰ কেতবোৰ অঞ্চলত দুষ্কৃতিকাৰীৰ দ্বাৰা আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ঘটনা সংঘটিত হয় যদিও এইসমূহে ভোটগ্ৰহণত কোনো প্ৰভাৱ পেলাব নোৱাৰিলে বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। এই ভোটগ্ৰহণৰ চূড়ান্ত হাৰ এতিয়াও জানিব পৰা হোৱা নাই যদিও চামগুৰি আৰু বঙাইগাঁও সমষ্টিত সৰ্বাধিক আৰু ধলাই সমষ্টিত সৰ্বনিম্ন ভোটগ্ৰহণ হোৱা বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

আজি পুৱা সাত বজাত ফৰকাল বতৰত আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰথমে সেৰেঙা আছিল যদিও সময় আগবঢ়াৰ লগে লগে বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাৰ দীঘলীয়া শাৰী দেখিবলৈ পোৱা গৈছে। বিয়লি ৪ বজালৈকে সামগ্ৰিকভাৱে ভোটদানৰ হাৰ ৬৩ শতাংশতকৈ বেছি হৈছিল বুলি নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

চামগুৰি সমষ্টিৰ পশ্চিম লৰিৰমুখৰ কৰৈগুৰি মজলীয়া বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইন আৰু তেওঁৰ মাতৃয়ে ভোটদান কৰে। আনহাতে, চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম ঠেনুকুবাৰী প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত সমষ্টিটোৰ বিপিএফ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে ভোটদান কৰে। ধলাই সমষ্টিৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত আজি সাংসদ পৰিমল শুক্লবৈদ্যই ভোটদান কৰে। এতিয়ালৈকে কোনো ঠাইৰ পৰা কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি আমালৈ অহা নাই। আজি এই পাঁচটা সমষ্টিৰ মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ সম্পন্ন হৈছে। ইয়াৰ ভিতৰত চিদলীৰ ২৭৩টা, চামগুৰিৰ ১৯৭টা, বিহালীৰ ১৫৪টা আৰু ধলাইৰ ২০৮টা কেন্দ্ৰ আছে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে সমষ্টিকেইটাৰ উপ-নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আজিৰ ভোটগ্ৰহণৰ জৰিয়তে ধলাই সমষ্টিৰ ৮ গৰাকী, চামগুৰিৰ ১১ গৰাকী, চিদলীৰ ৩ গৰাকী, বিহালীৰ ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিৰ ৮ গৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ভাগ্য প্ৰায় ৯ লাখ ১২ হাজাৰ ভোটদাতাই নিৰূপণ কৰিব। এইসকলৰ মাজত ৪ লাখ ৫৫ হাজাৰ ১২৪ গৰাকী পুৰুষ আৰু ৪ লাখ ৫৬ হাজাৰ ৮৮২ গৰাকী মহিলা ভোটদাতাৰ লগতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতাও আছে।

ooooo

দৰং জিলাৰ মঙলদৈ জিলা পুঁথিভঁৰাল প্ৰেক্ষাগৃহত আজি জিলাখনৰ শিক্ষকসকলৰ বাবে শিশু সুৰক্ষা বিষয়ক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। অসম ৰাজ্যিক শিশু সুৰক্ষা ছ'চাইটী, দৰং জিলা শিশু সুৰক্ষা গোট আৰু জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত এই প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হয়।

ooooo

তামুলপুৰৰ গোৰেশ্বৰ টাউন হ'লত আজি গোৰেশ্বৰ চহৰৰ জাৱৰ নিষ্কাশন আৰু স্বচ্ছতা সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত তামুলপুৰ জিলাৰ আয়ুক্ত, জীৱ বিজ্ঞানী ড০ অমৰজ্যোতি কাশ্যপ, গোৰেশ্বৰ ৰাজহ চক্ৰ বিষয়াৰ লগতে গোৰেশ্বৰ পৌৰসভাৰ সকলো কৰ্মচাৰী তথা গোৰেশ্বৰৰ জ্যেষ্ঠ নাগৰিকসকল উপস্থিত থাকে।

ooooo

গুৱাহাটী মহানগৰৰ দিছপুৰ আৰক্ষীয়ে আজি বিয়লি হাতীগাঁৱৰ নাহৰণি পথত থকা এটা অতিথিশালাত অভিযান চলাই ১০ হাজাৰ য়াবা টেবলেট, ৫টা চাবোনৰ বাকচত ভৰাই থোৱা অৱস্থাত ১১ গ্ৰাম হেৰ'ইন জব্দ কৰিছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ৫টা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। এই লোককেইজনৰ পৰা আৰক্ষীয়ে ৪টা মোবাইল ফোন আৰু নগদ ৫ হাজাৰ টকা জব্দ কৰে।

ooooo

অসমৰ ক্ৰীড়া ইতিহাসৰ আটাইতকৈ বৃহৎ ক্ৰীড়া প্ৰতিযোগিতা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ আজিৰে পৰা ৰাজ্যজুৰি আৰম্ভ হৈছে। তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকাশৰ মঞ্চ হিচাপে গ্ৰহণ কৰা এই প্ৰতিযোগিতাত ৭টা শাখাত প্ৰায় ৬৪ লাখ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। খেল মহাৰণ উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই পদক্ষেপে অসমৰ বিশাল ক্ৰীড়া সম্ভাৱনা বৃদ্ধিৰ লগতে ক্ৰীড়া সংস্কৃতি বিকাশত পুনৰ এক নতুনত্বৰ সূচনা কৰিব।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ছেঞ্চুৰীয়ানত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। বৰ্তমানলৈকে ভাৰত আৰু দক্ষিণ আফ্ৰিকা উভয়ে একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত ৬১ ৰানত জয়লাভ কৰে। দক্ষিণ আফ্ৰিকাই দ্বিতীয়খন খেলত ৩ উইকেটত বিজয় সাব্যস্ত কৰিছে।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ চমুকৈ বি চি চি আইৰ উদ্যোগত আৰু অসম ক্ৰিকেট সন্থাৰ সহযোগত আজিৰে পৰা বৰপেটাত অসম আৰু ঝাৰখণ্ডৰ মাজত ১৯ বছৰ অনূৰ্ধ কোচবিহাৰ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। বৰপেটা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত এই খেলখনত আয়ুষ্মান মালাকাৰে নেতৃত্ব দিয়া অসম দলটোৱে প্ৰথমে বেট ধৰি দিনান্তলৈ প্ৰথম ইনিংছত ৭টা উইকেটৰ বিনিময়ত ১৫৭ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ঘৰুৱা দলটোৰ হৈ ঋষিকেশ দাসে আজি সৰ্বাধিক ৮২ ৰান কৰি নটআউট হৈ আছে। উল্লেখযোগ্য যে চাৰিদিনীয়া মেচখনত দুয়োটা দলে দুটাকৈ ইনিংছ খেলিব।

ooooo

সমাপ্ত